**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। ১৫ আগষ্টৰ পৰা ৰাজ্যত পুনৰ ১০ খন নতুন সমজিলা পূৰ্ণ পৰ্যায়ত কাৰ্যকৰী হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। উৰিয়ামঘাট সীমান্তৰ ৰেংমা সংৰক্ষিত বনাঞ্চলৰ উচ্ছেদ সন্দৰ্ভত অসম আৰু নাগালেণ্ড প্ৰশাসনৰ আলোচনা।

৩। ডিব্ৰুগড়ত আজি মুখ্যমন্ত্ৰীৰ সোণাৰি, নাওবৈচা আৰু টিংখাং বিধানসভা সমষ্টিৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ।

৪। মণিপুৰৰ যশস্বী নাট্যকাৰ, পৰিচালক ৰতন থিয়ামৰ দেহাৰসান। **আৰু**

৫। অ'ল্ড ট্ৰেফ'ৰ্ডত আজি ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ।

০০০০০০

ৰাজ্যত পুনৰ ১০ খন নতুন সমজিলা গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমত প্ৰকাশ কৰিছে। এই জিলাকেইখন ১৫ আগষ্টৰ পৰা পূৰ্ণ পৰ্যায়ত কাৰ্যকৰী হ'ব বুলি তেওঁ প্ৰকাশ কৰিছে। নতুনকৈ গঠন হ'বলগীয়া সমজিলাকেইখনে প্ৰশাসনিক কাম-কাজ সহজ কৰি জনসাধাৰণৰ বাবে চৰকাৰী সেৱাসমূহ লাভ কৰাৰ প্ৰক্ৰিয়াটো অধিক সৰল কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীয়ে বকো-ছয়গাঁও, পলাশবাৰী, বৰছলা, ৰঙাপাৰা, মাকুম, ডিগবৈ, টীয়ক, মৰিয়নি, ধলাই আৰু দুধনৈ সমজিলাক অহা ১৫ আগষ্টৰ পৰা পূৰ্ণ পৰ্যায়ত কাৰ্যকৰী কৰাৰ কথা ঘোষণা কৰিছে। উল্লেখযোগ্য যে নতুন ১০ খন সমজিলা গঠন হোৱাৰ পাছত ৰাজ্যৰ মুঠ সমজিলা হ'বগৈ ৪৯ খন।

০০০০০০

উৰিয়ামঘাট সীমান্তৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযান চলোৱা সন্দৰ্ভত সৰুপথাৰ আৰক্ষী ভৱনত কালি অসম আৰু নাগালেণ্ডৰ তিনিখন জিলাৰ শীৰ্ষ বিষয়াসকলৰ মাজত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ৰেংমা বনাঞ্চলৰ উৰিয়ামঘাটত চলিবলগীয়া উচ্ছেদ অভিযানত নাগালেণ্ডৰ নিউলেণ্ড আৰু উখা জিলা প্ৰশাসনে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰিছে। বৈঠকত নাগালেণ্ডৰ নিউলেণ্ড আৰু উখা জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, চি আৰ পি এফৰ কামাণ্ডৰ আৰু সীমান্ত দণ্ডাধীশে অংশগ্ৰহণ কৰে। অসমৰ হৈ গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্ত, আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ লগতে সৰুপথাৰ সমজিলাৰ সীমান্ত দণ্ডাধীশ আৰু বন বিভাগৰ শীৰ্ষ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ইতিমধ্যে বন বিভাগে ৰেংমা সংৰক্ষিত বনাঞ্চলৰ ভূমি দখলকাৰীক ৭ দিনৰ ভিতৰত ঘৰ-বাৰী খালী কৰাৰ বাবে নিৰ্দেশ দিছে। ইয়াৰ পাছতে একাংশ ভূমি দখলকাৰীয়ে সেই স্থান ত্যাগ কৰিছে।

০০০০০০

উজনি অসম ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাৰিদিন ডিব্ৰুগড়ত কটাই জিলাখনৰ পৰা বিভিন্ন চৰকাৰী কাম-কাজ সম্পাদন কৰিব। কালি জিলাখনত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত, সোণাৰি, নাওবৈচা আৰু টিংখাং বিধানসভা সমষ্টিৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পি এম ঊষা আঁচনি আৰু মুখ্যমন্ত্ৰীৰ বিশেষ গ্ৰাণ্টৰ অধীনত দুটা প্ৰস্তাৱিত প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত তেওঁ অসম চিকিৎসা মহাবিদ্যালয়ত অধ্যাপক আৱাসগৃহ আৰু ছাত্ৰ আৱাসৰ আধাৰশিলা স্থাপনত অংশ ল'ব। বিয়লি পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে নাহৰকটীয়া সমজিলা আয়ুক্তৰ কাৰ্যালয়, নাহৰকটীয়া হকী ষ্টেডিয়াম, আই টি আইত স্থাপন হ'বলগীয়া উৎকৰ্ষতা কেন্দ্ৰ আৰু নামৰূপ-নাহৰকটীয়া পথ উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰিব। পৰহিলৈ পুৱা মুখ্যমন্ত্ৰীৰ সচিবালয়ত ৰাজ্যৰ মুখ্য সচিব, অতিৰিক্ত মুখ্য সচিবৰ কাৰ্যালয়, মন্ত্ৰীসকলৰ কাৰ্যালয় আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। সেইদিনা তেওঁ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ এই চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণকালত ডিব্ৰুগড় জিলা প্ৰশাসনে মানৱবিহীন বিমান আৰু ড্ৰোন আদি উৰুওৱাত নিষেধাজ্ঞা জাৰি কৰিছে।

ইপিনে কালি তিনিচুকীয়া জিলা ভ্ৰমণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যৰ বিভিন্ন স্থানত উচ্ছেদ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এটা নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে ভূমি দখলমুক্ত কৰা হ'ব। ৰাজ্যত প্ৰায় ২৯ লাখ বিঘা ভূমি বেদখলৰ কবলত পৰিছে বুলি তেওঁ মন্তব্য কৰে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাতো সন্দেহজনক লোকে ভূমি দখল কৰি থকাৰ তথ্যও লাভ কৰা বুলি তেওঁ জানিবলৈ দিয়ে। তিনিচুকীয়া জিলাৰ শদিয়াৰ চপাখোৱাৰ বুঢ়া-বুঢ়ী শালৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে ৯ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

**বাইট (চি এম)**

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে কালি বি টি আৰৰ নিৰ্বাচনৰ বাবে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰে। এই অনুসৰি বি টি আৰৰ ৪০ টা সমষ্টিত ২৬ লাখ ৬৯ হাজাৰ ৩৯৬ গৰাকী ভোটদাতা আছে। ইয়াৰ ভিতৰত ১৩ লাখ ২৯ হাজাৰ ৭৪২ জন পুৰুষ আৰু ১৩ লাখ ৩৯ হাজাৰ ৬৩৭ গৰাকী মহিলা ভোটদাতা। আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে সৰ্বমুঠ ৩ হাজাৰ ২৭৭টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব। খচৰা ভোটাৰ তালিকা সন্দৰ্ভত ওজৰ আপত্তি থাকিলে অহা ৫ আগষ্টৰ ভিতৰত সংশোধনৰ বাবে আবেদন কৰিবলৈ আহ্বান জনোৱা হৈছে।

চিৰাঙৰ পাঁচটা পৰিষদীয় সমষ্টিৰ খচৰা ভোটাৰ তালিকা কালি প্ৰকাশ কৰা হয়। কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা নিৰ্বাচনী বিষয়া যতীন বৰাই খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰে। জিলাখনৰ পৰা আমাৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে এই তালিকা প্ৰকাশ সন্দৰ্ভত এইদৰে কয় –

**ভইচ**

বাক্সা জিলা আয়ুক্ত কাৰ্যালয়ত কালি অহা ছেপ্তেম্বৰত হ'বলগীয়া বি টি চি পৰিষদীয় নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। জিলাখনৰ পাঁচটা পৰিষদীয় সমষ্টি – মথনগুৰি, শালবাৰী, ককলাবাৰী, দিহিৰা আৰু মুছলপুৰৰ বাবে এই তালিকা প্ৰকাশ কৰা হৈছে। আটাইকেইটা সমষ্টিত চাৰি লাখ ৭৫ হাজাৰ ৪৮১ গৰাকী ভোটদাতা আছে। বৰ্তমানলৈ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৫৭০ ধৰা হৈছে যদিও চূড়ান্ত তালিকা প্ৰকাশ পোৱাৰ পাছত এই সংখ্যা বৃদ্ধিৰ সম্ভাৱনা আছে। জিলা আয়ুক্ত গৌতম দাসে এই তালিকা সম্পৰ্কত কিবা ওজৰ-আপত্তি থাকিলে ৫ আগষ্টৰ আগেয়ে সেইবিষয়ে জনাবলৈ নাগৰিকসকলক আহ্বান জনায়।

তামুলপুৰ জিলাৰ পাঁচটা পৰিষদীয় সমষ্টিৰ ভোটাৰ তালিকাও কালি প্ৰকাশ কৰা হয়। জিলা প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি পাঁচটা পৰিষদীয় সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে তিনি লাখ ৫০ হাজাৰ ৭০৬।

কোকৰাঝাৰ আৰু ওদালগুৰি জিলাতো কালি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়।

০০০০০০

ধেমাজি জিলা গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয়ত কালি অন্তৰ্বৰ্তীকালীন মিচিং স্বায়ত্ত শাসিত পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠিত হয়। ৩৪ জনীয়া সমিতিখনৰ সদস্যসকলক কালি জিলাখনৰ আয়ুক্ত ৰাহুল সুৰেশ জাভিৰে শপত গ্ৰহণ কৰোৱায়। উল্লেখযোগ্য যে মিচিং স্বায়ত্ত শাসিত পৰিষদৰ সাধাৰণ পৰিষদৰ বৰ্ধিত কাৰ্যকাল যোৱা ১০ ফেব্ৰুৱাৰীত অন্ত পৰে। সংশোধিত স্বায়ত্ত শাসিত পৰিষদ আইন, ১৯৯৫ৰ সংশ্লিষ্ট ধাৰা অনুসৰি সাধাৰণ পৰিষদৰ নিৰ্বাচন নোহোৱা পৰ্যন্ত ৰাজ্যপালে পৰিষদক অন্তৰ্বৰ্তীকালীন স্বায়ত্ত শাসিত পৰিষদ গঠনৰ নিৰ্দেশ দিয়ে। ধেমাজি, লখিমপুৰ আৰু মাজুলীৰ সদস্যসকলৰ লগতে ধেমাজিৰ বিধায়ক তথা মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক ভূবন পেগু, নৱ কুমাৰ দলে আৰু ভূবন গামক লৈ ৩৪ জনীয়া সমিতিখন গঠন কৰা হয়। কালি অন্তৰ্বৰ্তীকালীন পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে পৰমানন্দ চায়েংগিয়াই শপত গ্ৰহণ কৰে।

০০০০০০

ভাৰতৰ বহনক্ষম ফেশ্বন বিপ্লৱৰ নেতৃত্ব দিয়াৰ ক্ষেত্ৰত উত্তৰ- পূবৰ অপৰিসীম সম্ভাৱনা আছে। উত্তৰ পূবৰ হস্ততাঁত আৰু হস্তশিল্প খণ্ডক শক্তিশালী কৰাৰ বাবে আয়োজন কৰা উচ্চ পৰ্যায়ৰ কৰ্মবাহিনীৰ বৈঠকত ভাৰ্চুৱেলি অংশগ্ৰহণ কৰি ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি এইদৰে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পৰিৱেশ আৰু সৰলীকৰণৰ বাবে ফেশ্বন দৃষ্টিভংগীক প্ৰতিফলিত কৰি শ্ৰীসিন্ধিয়াই কয়, যে পৰিৱেশৰ ভাৰসাম্য আৰু ব্যতিক্ৰমী কাৰুকাৰ্যৰ উত্তৰাধিকাৰীৰে চহকী উত্তৰ পূৰ্বাঞ্চলে ফেশ্বনক বিশ্বব্যাপী সেউজ আৰু সৰ্বাংগীন কৰি তোলাৰ ক্ষেত্ৰত নেতৃত্ব দিব। তেওঁ লগতে কয় যে উত্তৰ পূবে হস্ততাঁত আৰু হস্তশিল্পৰ ক্ষেত্ৰত নিজৰ চহকী ঐতিহ্যৰ সহায়ত জীৱিকা সৃষ্টিৰ লগতে ভাৰতৰ সাংস্কৃতিক উত্তৰাধিকাৰক বিশ্বৰ মঞ্চত স্থান দিব লাগিব। এই বৈঠকত উন্নয়নমূলক বজাৰ ব্যৱস্থা, প্ৰযুক্তিৰ ব্যৱহাৰ, সামৰ্থ্য বিকাশ আৰু বহনক্ষম জীৱিকা সৃষ্টিৰ জৰিয়তে হস্তশিল্প আৰু হস্ততাঁত পৰিৱেশ তন্ত্ৰক পুনৰুজ্জীৱিত কৰাত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে হস্ততাঁত আৰু হস্তশিল্প খণ্ডৰ বাবে পৰিৱৰ্তনশীল পৰিকল্পনা প্ৰকাশ কৰাৰ লগতে দক্ষতা আৰু বিকাশৰ জৰিয়তে আধুনিকীকৰণৰ বাবে সকলোকে আহ্বান জনায়।

০০০০০০

মণিপুৰৰ যশস্বী নাট্যকাৰ, নাট পৰিচালক, সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত ৰতন থিয়ামৰ আজি পুৱতি নিশা ইম্ফলৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ। ভাৰতীয় নাট্য সাহিত্যলৈ অনবদ্য বৰঙণি আগবঢ়োৱা নাট্যকাৰগৰাকীয়ে সমসাময়িক প্ৰেক্ষাপটত প্ৰাচীন ভাৰতীয় ঐতিহ্যক আধাৰ হিচাপে লৈ নাট ৰচনা আৰু মঞ্চস্থ কৰিছিল। ১৯৮৭ চনৰ পৰা ১৯৮৯ চনলৈ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ পৰিচালক হিচাপে আৰু ২০১৩ চনৰ পৰা ২০১৭ চনলৈ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব পালন কৰা নাট্যকাৰগৰাকীক ১৯৮৭ চনতে সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত কৰা হৈছিল। ১৯৮৯ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত থিয়ামক ২০১২ চনত সংগীত নাটক একাডেমীৰ ফেল'শ্বিপেৰে সন্মানিত কৰা হৈছিল। ১৯৮৭ চনত তেওঁৰ 'চক্ৰব্যুহ' নামৰ নাটকখনৰ বাবে এডিনবাৰ্গ আন্তঃৰাষ্ট্ৰীয় মহোৎসৱত ফ্ৰিঞ্জফাৰ্ষ্ট বঁটাৰে সন্মানিত কৰা হৈছিল। মণিপুৰ চৰকাৰেও তেওঁক জীৱজোৰা কৃতিত্ব সন্মানেৰে সন্মানিত কৰিছিল। চিত্ৰশিল্পী, নাটৰ মঞ্চসজ্জা, সংগীতকে ধৰি বিভিন্ন দিশত অভিজ্ঞতাপুষ্ট আৰু কুশলী শিল্পীগৰাকী সাম্প্ৰতিক

সময়ৰ নাট্যক্ষেত্ৰৰ এগৰাকী অন্যতম গুৰু হিচাপে পৰিগণিত হৈছিল। নাট্য শিল্পীগৰাকীৰ শিষ্য বিশিষ্ট অভিনেতা, নাট পৰিচালক অনুপ হাজৰিকাই তেওঁৰ বিষয়ে এইদৰে কয় –

ভইচ

০০০০০০

বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড০ বসন্ত কুমাৰ ভট্টাচাৰ্যৰ আজি পুৱা তেওঁৰ নলবাৰী বাসভৱনত ৮৩ বছৰ বয়সত মৃত্যু হয়। অসম সাহিত্য সভাই সাহিত্যাচাৰ্য সন্মানেৰে সন্মানিত কৰা সাহিত্যিকগৰাকী যোৱা দুবছৰ ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ চিকিৎসাধীন হৈ আছিল। নলবাৰী জিলা সাহিত্য সভাই নলবাৰী ৰত্ন সন্মান আগবঢ়োৱা ড০ ভট্টাচাৰ্যই ১৯৬৭ চনত সৰভোগৰ বৰনগৰ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল। পৰৱৰ্তী সময়ত তেওঁ নলবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰে আৰু বিভাগটোৰ মুৰববী অধ্যাপক হিচাপে অৱসৰ লয়। প্ৰাগজ্যোতিষ মহাবিদ্যালয়তো অতিথি অধ্যাপক হিচাপে সেৱা আগবঢ়োৱা ড০ ভট্টাচাৰ্যই ১৯৯৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা লোক সংস্কৃতি গৱেষণা বিভাগৰ তত্বাৱধায়ক হিচাপে স্বীকৃতি লাভ কৰে। তেওঁৰ অধীনত ১৫ গৰাকী গৱেষক শিক্ষাৰ্থীয়ে গৱেষণা সম্পন্ন কৰি ডিগ্ৰী লাভ কৰিছে। শতাধিক গ্ৰন্থ ৰচনা কৰা ড০ ভট্টাচাৰ্যৰ মৃত্যুত ৰাজ্যজুৰি শোকৰ ছাঁ পৰিছে।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ আজি অ'ল্ড ট্ৰেফ'ৰ্ডত আৰম্ভ হ'ব। শৃংখলাটোত আলহী দলটো ১-২ ৰ ব্যৱধানত পিছপৰি আছে। বাৰ্মিংহাম টেষ্টত ১০ টা উইকেট দখল কৰা আকাশদীপে চতুৰ্থ টেষ্টত আঘাতৰ বাবে অংশগ্ৰহণ কৰিব নোৱাৰে। নীতিশ কুমাৰ ৰেড্ডিকো আঘাতৰ বাবে দলৰ পৰা বাহিৰত ৰখা হৈছে। খেলখনৰ পূৰ্বে কালি অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত সংবাদমেলত অধিনায়ক শুভমন গীলে ভাৰতীয় দলৰ বেটিং দুৰ্বলতাৰ কথা অস্বীকাৰ কৰে আৰু আজিৰ খেলখনত ভাৰতীয় বেট্‌ছমেনসকলে ভাল প্ৰদৰ্শন কৰিব পাৰিব বুলি আস্থা প্ৰকাশ কৰে। উইকেট ৰক্ষক ঋষভ পণ্টে চতুৰ্থ টেষ্টত ভাগ ল'ব বুলি শুভমন গীলে নিশ্চিত কৰে।

ইংলেণ্ডে তৃতীয় টেষ্টত খেলা দলটোৰ ছোৱেইব বছিৰৰ স্থানত লিয়াম ড'ছনক অন্তৰ্ভুক্ত কৰিছে। ভাৰতীয় সময় অনুসৰি আজি বিয়লি চাৰে তিনি বজাত খেলখন আৰম্ভ হ'ব।

০০০০০০

ৰাজ্যত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ লগতে বিভিন্ন ৰোগত ব্যৱহৃত ঔষধৰ দাম অভাৱনীয়ভাৱে বৃদ্ধি হোৱা বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে তথ্যসহ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত ৰাষ্ট্ৰপতি ভৱনৰ পুথিভঁৰালত সংৰক্ষণ আৰু প্ৰদৰ্শনৰ বাবে কীৰ্তন ঘোষা, নামঘোষা, আদি দশম, ভক্তি ৰত্নাৱলী আৰু গীত গোবিন্দ এই পাঁচখন প্ৰাচীন সাঁচিপতীয়া পুথি আগবঢ়োৱা বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিৰে দা ছেণ্টিনেল কাকতৰ শিৰোনাম SANCHIPAT MANUSCRIPTS PRESERVED AND DISPLAYED AT RASTRAPATI BHAVAN LIBRARY।

পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ, অপাৰেচন সিন্দূৰ আৰু বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ দৰে বিষয়ক লৈ বিৰোধী পক্ষই হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰাৰ বাবে কালি উভয় সদনৰ কাম-কাজ দিনটোলৈ স্থগিত হোৱাৰ বাতৰিক দৈনিক অসম কাকতে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ আৰম্ভণিৰ দিনটোতে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক পদত্যাগ পত্ৰ দিয়াৰ বাতৰিটোক অসমীয়া খবৰ, দৈনিক জনম ভূমি, দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাৰ স্থান দিছে।

ৰাজহুৱা তথা ব্যক্তিগত খণ্ডৰ সকলো বিত্তীয় প্ৰতিষ্ঠানৰ গ্ৰাহকক ডিজিটেল বেংকিং ব্যৱস্থাৰ জৰিয়তে যোৱা ৫টা বছৰত চাইবাৰ অপৰাধীয়ে বিত্তীয় প্ৰৱঞ্চনা কৰাৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যৰ গাঁও পঞ্চায়তৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়ববীয়াই ভুৱা জবকাৰ্ডৰ জৰিয়তে কোটি কোটি টকা আত্মসাৎ কৰাৰ বাবে কেন্দ্ৰই ৰাজ্যৰ প্ৰাপ্য এনৰেগাৰ পুঁজি বন্ধ কৰি দিয়াৰ বাতৰিটো আমাৰ অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

000000

সমাপ্ত